A MULTILINGUAL & MULTIDISCIPLINARY
ACADEMIC JOURNAL

DARRANG UDALGURI ZONE,
ACTA

# জ্ঞানম Jnanam

Volume- VII, Dec. 2022 - Dec. 2023

ISSN : 2393-8110

Chief Editors :
Anil Kumar Bayan
Prafulla Dev Sarma

# জ্ঞানম

# Jnanam

A Multilingual & Multidisciplinary Academic Journal
Volume - VII, December 2022-23

ISSN : 2393-8110

DARRANG - UDALGURI ZONE
ASSAM COLLEGE TEACHERS' ASSOCIATION (ACTA)
ASSAM

**Chief Editors :**
Anil Kumar Bayan
Prafulla Dev Sarma

# Jnanam

**A Multilingual & Multidisciplinary Academic Journal, Volume- VII ISSN: 2393-8110**

An Annual publication of Darrang Udalguri Zone, Assam College Teachers' Association (ACTA) and published by Darrang Udalguri Zone.

## EDITORIAL BOARD

| | |
|---|---|
| **Advisors** | **: Dr. Prasanna Kr. Nath** |
| | **: Jalal Uddin Ahmed** |
| | **: Dr. Satyendra Kr. Sarma** |
| | **: Dr. Khanin Dutta** |
| | **: Dr. Seema Jyoti** |
| **Chief Editors** | **: Mr. Anil Kr. Bayan** |
| | **: Mr. Prafulla Dev Sarma** |
| **Editors** | **: Mr. Jonmani Das** |
| | **: Mr. Sailendra Boro** |
| **Members** | **: Mr. Rupam Dutta** |
| | **: Dr. Asha Basumatary** |
| | **: Mr. Sikdar Anowarul Islam** |
| | **: Dr. Dulendra Nath** |
| | **: Mr. Ratul Ch. Bharali** |
| | **: Dr. Jayanta Kr. Boruah** |
| | **: Mr. Shyamal Krishna Biswas** |
| | **: Mr. Bimal Deka** |
| | **: Mr. Gagan Jyoti Deka** |

| | |
|---|---|
| **Cover Design** | **: Mr. Rupam Dutta** |
| **Price** | **: ₹300 (Three Hundred) Only** |
| **Printed at (Assam)** | **: Procreate Offset Press, Udalguri, BTR** |
| **Email ID** | **: procreatepress@gmail.com** |

***Disclaimer :*** *Opinion expressed or conclusions arrived at in the research papers/ articles are those of the authors and they do not necessarily reflect the views of the editorial board.*

# CONTENTS


| | | |
|---|---|---|
| অসমৰ প্ৰথম গৱাকী মহিলা এম এছ চি অমলপ্ৰভা দাস | ড০ মঞ্জু কলিতা | 1 |
| অসমীয়া সমাজ জীৱনৰ অপৰিহাৰ্য অংগ গামোচাখন : এক অৱলোকন | বিচিত্ৰা বালা নাথ | 7 |
| बर'फोरनि बायदि गोजाम आगर-आखाय | Dr. Pramad Ch. Brahma | 13 |
| जुजायनि अर आरो मन्जुबाला देवी सलमानि गाहाइ आइजो आखु आलाइस्नि | ड० रीता बर' | 20 |
| कामाख्या ब्रह्म नार्जारीनि डिमापुर आरो माइबं खन्थायाव बेरखांनाय जारिमिनारि आरो हारिमुयारि सावगारि | मनेस्वर गयारि | 26 |
| ''खन्थाय-मेथाय'' याव बेरखांनाय सोलोंथायारि सानस्रि | Dr. Niran Brahma | 32 |
| सिगुन राजा फावथाइयाव राजखान्थियारि सिनायथि | कमलेस्वर बर' | 39 |
| आइजोबाद आरो सानसुमै खुंग्रि बसुमतारिनि फेलेंनि सावगारि : मोनसे सावरायथि | ड० प्रमिला बर' | 44 |
| Bwisagw Festival of the Boros-An overview | Someswar Baro | 52 |
| Gender Sensitization in Higher Education | Neeta Das | 60 |
| The Politics of Happiness | Jagriti Kalita | 65 |
| A Peep into the Contemporary Trends in Bodo Literature | Dr. Purnima Boro | 70 |
| Role of Women in Progression, Social and Individual; as Reflected in the Works of Modern Indian Women Writers | Dr. Homen Baruah, Dr. Mukut Kalita | 76 |
| Science in Veda – a bird's eyeview | Aparajita Devi | 85 |
| Significance of Human Rights in Present Situation | Ranjit Daimari | 90 |
| Article 370: Historical Context, Abrogation, and its impact on the Political Landscape in Jammu & Kashmir | Jayanta Kalita | 96 |
| Financial Accounting's Effect on Business Decision-Making Processes: An Analysis | Manash Kalita | 103 |
| Philosophy of J.N. Mohanty: A Brief Exposition | Dr. Khanin Dutta | 108 |
| War in Gaza Strip | Anil Kr. Bayan | 116 |
| Problems Challenges and Opportunites of Geography | Dr. Jayanta Kr. Boruah | 120 |
| A Case Study on the Growth of Fishery in Udalguri District, Bodoland Territorial Region | Papina Basumatary | 129 |
| Transgender: its social conflicts andchallenges in our society | Prafulla Dev Sarma | 136 |
| Gender and Intersectionality | Minati Patowari | 142 |
| Environmental Degradation & Issues and Sustainable Development Programme | Krishna Kn. Basumatary | 148 |

# অসমৰ প্ৰথম গৰাকী মহিলা এম এছ চি অমলপ্ৰভা দাস

ড° মঞ্জু কলিতা

অসমৰ বৰ্তমানলৈ এম.এছ.চি. ডিগ্ৰীধাৰী মহিলাসকলৰ যদি এখন তালিকা প্ৰস্তুত কৰা যায়, সেই তালিকখনৰ প্ৰথম নামটি যি গৰাকী বিদুষী মহিলাই অলংকৃত কৰি ৰাখিছে সেই গৰাকী বৰেণ্যা মহিলা হৈছে শ্ৰদ্ধাৰ অমলপ্ৰভা দাস। দেবী সৰস্বতী আৰু লক্ষ্মীৰ সমানে কৃপা লাভ কৰিবলৈ সমক্ষ হোৱা এই গৰাকী মহীয়সী নাৰীৰ জন্ম হয় ১৯১১ চনৰ ১২ নৱেম্বৰ তাৰিখে ডিব্ৰুগড়ৰ টেকেলা গাঁৱত। অমলপ্ৰভাৰ দেউতাক আছিল ডাঃ হৰিকৃষ্ণ দাস আৰু মাতৃ আছিল শ্ৰীমতী হেমপ্ৰভা দাস। পিতৃ-মাতৃ দুয়ো শিক্ষিত তথা অভিজাত বংশৰ আছিল আৰু পিছলৈ স্বাধীনতা সংগ্ৰামত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই মুক্তি যুঁজাৰুৰ খিতাপ অৰ্জন কৰিছিল। আদৰ্শৱান দম্পতিৰ স্বদেশপ্ৰেম আৰু মহান ত্যাগৰ যি মানসিকতা সেয়া অসম বুৰঞ্জীত সদায়ে স্মৰণীয় হৈ ৰ'ব। অমলপ্ৰভা দাসৰ মাতৃ হেমপ্ৰভা দাস অসমৰ পৰা কলিকতাত পঢ়িবলৈ যোৱা প্ৰথম মহিলা। হেমপ্ৰভা দাস ডিব্ৰুগড় মডেল বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আছিল। মাতৃৰ শিক্ষানুৰাগৰ প্ৰভাৱ কন্যা অমলপ্ৰভাৰ ক্ষেত্ৰতো প্ৰত্যক্ষভাৱে পৰা দেখা যায়।

অমলপ্ৰভাৰ পিতৃ ডাঃ হৰিকৃষ্ণ দাস ডিব্ৰুগড় বেৰী হোৱাইট মেডিকেল কলেজৰ ডাক্তৰ হিচাপে প্ৰতিষ্ঠিত আছিল। ডাক্তৰ বৃত্তিৰ লগতে তেওঁ এজন সমাজহিতৈষী, স্বদেশপ্ৰেমীক, সংস্কৃতিপ্ৰেমী আৰু পিছলৈ গান্ধীবাদী আৰু মুক্তি যুঁজাৰু ৰূপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছিল। উচ্চ শিক্ষিত পিতৃ-মাতৃৰ অমলপ্ৰভা দাস আছিল দ্বিতীয় সন্তান। প্ৰথম গৰাকী জীয়ৰীৰ নাম আছিল তিলোত্তমা দাস। বাইদেৱেক তিলোত্তমা দাস আৰু ভণ্টি অমলপ্ৰভা দাস দুয়ো গৰাকী বৰ বুধিয়ক আৰু সবলমনা প্ৰকৃতিৰ আছিল। ঘৰুৱা কাম-কাজতো দুয়ো গৰাকীকে মাকে পাকৈত কৰি তুলিছিল। তেওঁলোকে সৰুৰে পৰা নিজৰ ঘৰখনত এক সমাজসেৱাৰ মনোভাৱ দেখি আহিছিল। সমাজৰ হিতৰ বাবে পিতৃ হৰিকৃষ্ণ দাস আৰু মাতৃয়ে যি আদৰ্শ লৈছিল সেইবোৰ অমলপ্ৰভাক বিভিন্ন ধৰণে প্ৰভাৱান্বিত কৰিছিল। ডাঃ হৰেকৃষ্ণ দাসৰ মানৱ সেৱাৰ উদাহৰণ বিভিন্ন সময়ত বিভিন্ন ধৰণে দেখা যায়। বহু অসহায় ল'ৰা-ছোৱালীক তেওঁ ঘৰলৈ লৈ আহি খুৱাই-ধুৱাই কৰ্মঠ কৰি তুলিছিল। অমলপ্ৰভাৰ মাতৃও আছিল বৰ সবলমনা আৰু সংস্কাৰ মনোভাৱৰ মহিলা। আধুনিক শিক্ষাৰ প্ৰতি তেওঁৰ আছিল প্ৰচণ্ড হেঁপাহ। শিক্ষাৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ মাজত কোনো পাৰ্থক্য তেখেতে বিচাৰি পোৱা নাছিল। তেখেত পৰোপকাৰী আৰু দায়িত্বশীল মহিলা আছিল। তেখেতে দুয়ো গৰাকী কন্যাকে পঢ়া-শুনাৰ লগতে ঘৰুৱা কাম-বন, বোৱা-কটা, চিলাই, উল গুঠা, ফুল বোৱা, ৰন্ধা-বঢ়া সকলো কামতে পাকৈত কৰি তুলিছিল। সৰু দিনবোৰ কলিকতাত থকা বাবে তেখেতে বোৱা-কটা নাজানিছিল কিন্তু মানুহ নিয়োগ কৰি হ'লেও অমলপ্ৰভাক কাপোৰ ব'বলৈ শিকাইছিল আৰু কেৱল বোৱা মেখেলা-চাদৰহে পিন্ধিবলৈ অভ্যাস কৰাইছিল। এইয়া মাতৃৰ নিজৰ সংস্কৃতিক ভাল পোৱাৰ এক উৎকৃষ্ট নিদৰ্শন।

পঢ়া-শুনাত অতিকে আগৰণুৱা আৰু নিজৰ মাটিৰ গোন্ধ পোৱা শ্ৰদ্ধাৰ অমলপ্ৰভা দাসে গণিত আৰু ভূগোল বিষয়ত লেটাৰ নম্বৰ লৈ ডিব্ৰুগড় বালিকা মডেল স্কুলৰ পৰা ডিষ্টিংচনসহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। সেই সময়ত এজনী ছোৱালীৰ এই সাফল্য লেখত ল'বলগীয়া আছিল।

সুখ্যাতিৰে মেট্ৰিক পাছ কৰাৰ পিছত অমলপ্ৰভাই গুৱাহাটীৰ কটন কলেজত নামভৰ্তি কৰিবলৈ মনস্থ কৰিলে। ইতিমধ্যে তেখেতৰ পিতৃ ডাঃ হৰিকৃষ্ণ দাসে ডিব্ৰুগড়ৰৰ পৰা গুৱাহাটীৰ পানবজাৰ মেডিকেললৈ বদলি হৈ আহিছিল আৰু সপৰিয়ালে ইয়াতেই থাকিব লৈছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে অমলপ্ৰভাৰ কটন কলেজত পঢ়াৰ আশাত চেচা পানী পৰিল। কাৰণ হ'ল সেই সময়ৰ কটন কলেজৰ অধ্যক্ষ মহোদয়ে ছোৱালীক কটন কলেজত পঢ়াৰ অনুমতি প্ৰদান কৰা নাছিল। পিছত অমলপ্ৰভাৰ পিতৃয়ে কলিকতাত বিজ্ঞান বিষয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণীত নাম লগাই দিয়ে, কাৰণ তেখেতে নিজ কন্যাৰ বুদ্ধিমত্তাৰ পৰিচয় পাইছিল। তেখেতে অমলপ্ৰভাক সেয়ে নিৰাশ নকৰি দূৰত হ'লেও পঢ়োৱাৰ ব্যৱস্থা কৰি দিছিল। তাৰ পৰাই অমলপ্ৰভাই বিজ্ঞান শাখাত প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক (তেতিয়াৰ সময়ৰ প্ৰাক্ বিশ্ববিদ্যালয়) পৰীক্ষাত উত্তীৰ্ণ হৈ নিজৰ লগতে পৰিয়ালৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। কন্যাৰ এই সুখ্যাতি অটুট ৰাখিবলৈ পিতৃয়ে অমলপ্ৰভাক বেনাৰছ হিন্দু কলেজত ৰসায়ন বিজ্ঞান বিষয়ত অনাৰ্চ লৈ বি.এছ.চি. পঢ়িবলৈ পঠায়।

ইতিমধ্যে সমগ্ৰ ভাৰতবৰ্ষতে গান্ধীৰ নেতৃত্বত স্বাধীনতা আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। ঠায়ে ঠায়ে কিছুমান অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হ'ল। গোটেই দেশতে স্কুল-কলেজসমূহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। ব্ৰিটিছসকলক ওফৰাবলৈ প্ৰায়ে অনশন, অসহযোগ, হৰতাল, বিদেশী বস্তু প্ৰত্যাহাৰ আদি আন্দোলনৰ বিভিন্ন কাৰ্যসূচীয়ে দেশৰ জনতাৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিবলৈ ধৰিলে। কলিকতাতো অসহযোগ আন্দোলনে শিক্ষাৰ্থীসকলৰ মাজত স্বদেশ ৰক্ষাৰ ভাৱ জাগ্ৰত কৰিলে। সঘনাই হোৱা আন্দোলনৰ কাৰ্যসূচীসমূহে অমলপ্ৰভাৰ কলেজতো বাৰুকৈয়ে আঘাত হানিলে। লাহে লাহে সকলো ছাত্ৰ-ছাত্ৰী ঘৰলৈ যাবলৈ বাধ্য হ'ল। শিক্ষা আধাতে সামৰি অমলপ্ৰভাইয়ো গুৱাহাটী পালেহি। কিন্তু জ্ঞান অন্বেষণৰ সাধনাত ৰত অমলপ্ৰভাই যেন শান্তিত থাকিব পৰা নাছিল, কাৰণ তেওঁৰ যাত্ৰা ইমানতে শেষ হোৱা নাই।

অমলপ্ৰভাৰ পিতৃৰ পানবজাৰৰ ঘৰখন সেই সময়ত স্বাধীনতা আন্দোলনকাৰীসকলৰ একপ্ৰকাৰ আশ্ৰয় স্থল হৈ পৰিছিল। মহাত্মা গান্ধীকে আদি কৰি কংগ্ৰেছৰ আগশাৰীৰ নেতাসকল অসমলৈ আহিলে ডাঃ হৰিকৃষ্ণ দাসৰ ঘৰতে থাকিছিল। ডাঃ হৰিকৃষ্ণ দাস আৰু পত্নী হেমপ্ৰভা দাস দুয়ো গৰাকীয়ে স্বদেশপ্ৰেমত ব্ৰতী হৈ দেশ উদ্ধাৰৰ হকে যৎপৰোনাস্তি চেষ্টা কৰি গৈছিল। দুয়ো গৰাকীয়ে সমানে স্বাধীনতা আন্দোলনত দেহে-কেহে খাটিছিল। বিচাৰ্য্যৰ বিষয় এই যে, পেচাত তেওঁলোক আছিল ডাক্তৰ আৰু শিক্ষক। নিজৰ পেচাৰ উপৰিও তেওঁলোকক যেন স্বদেশী আন্দোলনে হাত বাউল দি মাতিছিল, কাৰণ পৰাধীনতাৰ গ্লানিয়ে মানুহৰ স্বাভাৱিক জীৱন যাত্ৰাত আঘাত হানে। পিতৃ-মাতৃৰ স্বদেশপ্ৰেমৰ আদৰ্শ অমলপ্ৰভাৰ মনতো ক্ৰমান্বয়ে ক্ৰিয়া কৰিব আৰম্ভ কৰিলে। তথাপিও তেওঁ যেন শিক্ষাৰ যাত্ৰা পথ সমাপ্ত কৰিবই লাগিব।

দেশৰ পৰিস্থিতি কিছু শান্ত হোৱাত অমলপ্ৰভা পুনৰ কলিকতালৈ ৰাওনা হ'ল, লক্ষ্য আধৰুৱা শিক্ষা সমাপ্ত কৰা। এই ক্ষেত্ৰত তেখেতৰ পিতৃ-মাতৃয়ে সদায় আগভাগ লৈছিল। কলিকতাৰ স্কটিছ চাৰ্চ কলেজত (Scotish Church College) পুনৰ নামভৰ্তি কৰিলে অমলপ্ৰভাই। এই কলেজৰ পৰাই অমলপ্ৰভাই ৰসায়ন

বিজ্ঞান বিষয়ত প্ৰথম শ্ৰেণীৰ স্নাতক হৈ নিজৰ বুদ্ধিমত্তাৰ পৰিচয় দিবলৈ সক্ষম হয়। যিকোনো পৰিস্থিতিকে নিজৰ আয়ত্বলৈ আনি তাক সহজভাৱে লৈ নিজৰ কৰ্মপথত অগ্ৰসৰ হ'ব পৰা গুণ অমলপ্ৰভাৰ গাত চিৰ বিদ্যমান হৈ আছিল। সেয়ে তেখেতে নিজৰ যাত্ৰাপথত কোনোদিন উভতি চাবলগীয়া হোৱা নাছিল। এইবাৰ এম.এছ.চি. পঢ়িবৰ বাবে পুনৰ তেওঁ কলিকতাতে কলিকতা বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগত নামভৰ্তি কৰে। যথা সময়ত এই বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ এম.এছ.চি. ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। সকলোৰে পৰা অতি মেধাবী ছাত্ৰী হিচাপে পৰিচয় বহন কৰি অহা অমলপ্ৰভা দাসে হৈছে অসমৰ প্ৰথম গৰাকী মহিলা এম.এছ.চি. ডিগ্ৰীধাৰী। সেই সময়ত স্ত্ৰী শিক্ষাৰ প্ৰচাৰ একেবাৰে নগণ্য বুলি ক'লেও অত্যুক্তি কৰা নহয়। তেনে পৰিৱেশৰ মাজতো নিজ ৰাজ্যৰ বাহিৰত পঢ়া-শুনা কৰি অমলপ্ৰভাই যি খ্যাতি অৰ্জন কৰিলে সেয়া সকলোৰে আদৰ্শ হৈ ৰ'ল। একাগ্ৰতা আৰু অধ্যাৱসায় মানুহৰ সকলো অন্তৰায় প্ৰতিৰোধ কৰিব পৰা এক অস্ত্ৰ। অমলপ্ৰভাই তাকে প্ৰমাণ কৰিলে।

এম.এছ.চি. পাছ কৰাৰ পিছত গুৱাহাটীলৈ আহি অমলপ্ৰভাই জীৱিকাৰ সন্ধানত নামি পৰিল। তেখেতে ছয় মাহৰ বাবে মেডিচিন বিভাগৰ প্ৰশিক্ষণ এটি ল'বলৈ পুনৰ কলিকতালৈ গ'ল। প্ৰশিক্ষণ শেষ কৰি পানবজাৰতে পিতৃৰ চিকিৎসালয়ৰ ওচৰতে এখন ঔষধৰ দোকান খুলিলে। এইখিনিতে উল্লেখযোগ্য যে অমলপ্ৰভাৰ জীৱনৰ লক্ষ্য আছিল এগৰাকী পাইলট (Pilot) হোৱা, কিন্তু দেউতাকে এই ক্ষেত্ৰত তেখেতক অনুমতি নিদিলে। অমলপ্ৰভাই তেওঁৰ জীৱিকাৰ সমান্তৰালকৈ স্বাধীনতা আন্দোলনতো আত্মনিয়োগ কৰিবলৈ আৰম্ভ কৰিলে। ঠায়ে ঠায়ে বহু সভাসমূহলৈ গৈ দেশপ্ৰেমমূলক ভাষণ প্ৰদান কৰিব ধৰিলে। তেখেতৰ মাতৃও এগৰাকী গান্ধীবাদী আছিল আৰু গান্ধীৰ অহিংসা আন্দোলনত স্বদেশ মুক্তিৰ কাৰণে নিজকে উৎসৰ্গা কৰিছিল। মাতৃৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ অমলপ্ৰভায়ো বিদেশী বহিষ্কাৰ আন্দোলনত জপিয়াই পৰিল আৰু ইমান উচ্চ শিক্ষিতা হৈয়ো জীৱিকাতকৈ স্বদেশ মুক্তিৰ বাবে বেছি তৎপৰ হ'ল। পিতৃ-মাতৃৰ স্বদেশপ্ৰেমে তেখেতৰো অন্তৰ জগাই তুলিলে। এইখিনি সময়তে গান্ধীজীৰ নিৰ্দেশ মৰ্মে ১৯৩০ চনত মাতৃৰ সতে অমলপ্ৰভাই ৱাৰ্ধালৈ যাত্ৰা কৰিলে। ৱাৰ্ধাত তেওঁলোকে থলুৱা সামগ্ৰী প্ৰস্তুতিকে ধৰি বিভিন্ন গঠনমূলক কাম কৰাৰ বাবে প্ৰশিক্ষণ ল'বলৈ গৈছিল। তাতেই তেওঁলোকে কুটীৰ শিল্পৰ লগতে নানা ধৰণৰ লাগতিয়াল সামগ্ৰী, যেনে-চাবোন তৈয়াৰ, তেল পেৰা, কাগজ প্ৰস্তুত, চেনি প্ৰস্তুত ইত্যাদি ধৰি বহু বস্তু বনোৱা প্ৰশিক্ষণ লাভ কৰিলে। মুঠতে গান্ধীৰ আদৰ্শ বিদেশী বস্তু বৰ্জন কৰিবলৈ হ'লে আমি নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহ নিজে প্ৰস্তুত কৰিব জানিব লাগিব—এই কথা সাৰোগত কৰি অমলপ্ৰভাই ৱাৰ্ধাৰ পৰা শিক্ষা আহৰণ কৰি তাক বাস্তৱ ৰূপ দিবলৈ প্ৰয়াস কৰিলে। এইক্ষেত্ৰত মহিলাসকলক বেছি আগ্ৰহী কৰি তুলিব বিচাৰিলে। অমলপ্ৰভাৰ পিতৃ ডাঃ হৰিকৃষ্ণ দাসৰ গুৱাহাটীৰ পুব শৰণীয়া পাহাৰত কেবা বিঘা মাটি আছিল। তাতেই পিতৃৰ নিৰ্দেশত আৰু মাতৃৰ সহযোগত কস্তুৰবা গান্ধীৰ নামত অমলপ্ৰভাই এখন আশ্ৰম খুলিলে। এই আশ্ৰমৰ লক্ষ্য হ'ল নিবনুৱাসকলক বিশেষকৈ মহিলাসকলক নিয়োজিত কৰি বিভিন্ন থলুৱা তথা প্ৰয়োজনীয় সামগ্ৰী প্ৰস্তুত কৰা আৰু সেইবোৰ বজাৰত বিক্ৰী কৰি এটি ন্যাস গঠন কৰা। কথামতে কাম আৰম্ভ হ'ল আৰু অতি কম দিনৰ ভিতৰতে এই আশ্ৰমে উন্নতিৰ দিশে অগ্ৰসৰ হ'ল।

নিজৰ কৰ্ম ব্যস্ততাৰ মাজতে অমলপ্ৰভাৰ মনে যেন কেৱল ভাৰত মাতাৰ স্বাধীনতাৰ হুকে হাত বাউল

দি মাতিব ধৰিলে। গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ অমলপ্ৰভাই নিজকে এগৰাকী প্ৰকৃত সত্যাগ্ৰহী হিচাপে নিজকে প্ৰস্তুত কৰিলে। পিতৃ ডাঃ হৰিকৃষ্ণ দাসেও স্বাধীনতা সংগ্ৰামত লিপ্ত হোৱা বাবে কাৰাবৰণ খাটিবলগীয়া হৈছিল। মাতৃও সমানে এই আন্দোলনত নিজকে সমৰ্পণ কৰিছিল। এইখিনি সময়তে গান্ধীজীৰ পৰা আহ্বান আহিল যে, তেওঁক কিছুমান সত্যাগ্ৰহীৰ প্ৰয়োজন। অসমৰ পৰা অমলপ্ৰভাই এই আমন্ত্ৰণ ৰক্ষা কৰিলে। অমলপ্ৰভাই গান্ধীৰ সান্নিধ্যই আগতকৈ আৰু বেছিকৈ স্বদেশ ৰক্ষা আন্দোলনত ব্ৰতী হ'ল আৰু লাহে লাহে ঘৰৰ পৰিয়ালৰ সান্নিধ্যৰ পৰা যেন কিছু দূৰলৈ গুছি গ'ল।

আজিৰ পৰা প্ৰায় ১০০ বছৰ আগত ভাৰত তথা অসমৰ মহিলাসকলৰ ছবিখন বৰ্তমানৰ তুলনাত বহুত বেলেগ আছিল। মহিলাসকল ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ হৈ আছিল। ঘৰুৱা কাম আৰু পৰিয়ালৰ শুশ্ৰূষাই আছিল মহিলাৰ ধৰ্ম। বাহিৰ ওলাই আহি পৃথিৱীখনত নিজৰ অৱস্থান চাবলৈ যেন তেওঁলোকৰ অধিকাৰ নাছিল। তাৰ মাজতে সাহসী অমলপ্ৰভাই ৰাজপথলৈ অকলে ওলাই আহিছিল। মুখত আছিল অমোঘ বাণী 'স্বাধীনতা আমাৰ জন্ম স্বত্ব। আমি কেতিয়াও পৰাধীন হৈ নাথাকো।' ইতিমধ্যে ব্ৰিটিছ প্ৰশাসনে আন্দোলনকাৰীসকলক প্ৰতিহত কৰিবলৈ নিত্য নতুন কৌশল অৱলম্বন কৰিব ধৰিলে। তেওঁলোকে য'ৰ-ত'ৰ পৰা যিকোনো সময়ত মানুহক কৰায়ত্ব কৰাত লাগি গ'ল। অমলপ্ৰভায়ো বুজিছিল যে যিকোনো মুহূৰ্তত তেওঁকো পুলিছে কৰায়ত্ব কৰিব পাৰে। তথাপি কিন্তু তেওঁ পিছ হুককি অহা মহিলা নাছিল। বিপদ সংকুল পৰিৱেশতো তেওঁ আন্দোলন চলাই গৈ থাকিল। শেষত তেওঁ ভবাটোৱে হ'ল। ১৯৪১ চনৰ ৩ মাৰ্চ তাৰিখে কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত বহা এখন বিশাল জনসমুদ্ৰৰ মাজত ভাষণ দি ঘৰলৈ ওভতাৰ পথত বাটতে পুলিচে তেওঁক কৰায়ত্ব কৰে। সেই সময়ত গুৱাহাটীত মহিলাৰ বাবে সুকীয়া কাৰাগাৰৰ ব্যৱস্থা নাছিল। কাৰাগাৰৰ ওচৰতে এটি ধান বনা মিল আছিল, অমলপ্ৰভাক দুদিন এই ধান বনা মিলতে আবদ্ধ কৰি ৰখা হৈছিল। পিছতহে অমলপ্ৰভাক যোৰহাট জেললৈ পঠিওৱা হৈছিল। তেনে পৰিস্থিতিত এগৰাকী মহিলাৰ কেনে অৱস্থা হ'ব পাৰে সেইটো সহজতে অনুমান কৰিব পাৰি। এনেদৰে গান্ধীৰ অমোঘ মন্ত্ৰেৰে মহীয়ান হৈ পৰা অমলপ্ৰভাই এক ত্যাগী নাৰী হিচাপে স্বদেশ উদ্ধাৰৰ বাবে নিজকে উৎসৰ্গ কৰিলে।

সেয়া ১৯৪৪ চনৰ কথা। অমলপ্ৰভাৰ পিতৃ ডাঃ হৰিকৃষ্ণ দাস মুক্তি সংগ্ৰামী হিচাপে কাৰাবাস খাটি ওলাই আহিছে। হেন সময়তে তেখেতৰ পত্নী অৰ্থাৎ অমলপ্ৰভাৰ মাতৃ টান নৰীয়াত পৰে। দিনে দিনে মাতৃ হেমপ্ৰভা দাসৰ শাৰীৰিক অৱস্থা অধিক শোচনীয় হৈ পৰে আৰু এই গৰাকী বিদুষী নাৰী, অক্লান্ত কৰ্মী, সু-শিক্ষাৰে শিক্ষিতা নাৰী, সু-গৃহিণী তথা উপযুক্ত অভিভাৱক হেমপ্ৰভা দাসৰ ১৯৪৫ চনৰ ১৫ জানুৱাৰী তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। মাতৃৰ বিয়োগত অমলপ্ৰভাই বৰ ডাঙৰ আঘাত পালে। তেওঁৰ মাতৃ কেৱল যে মাতৃয়ে আছিল এনে নহয়, হেমপ্ৰভা দাস অমলপ্ৰভাৰ বাবে আছিল Friend, Philosopher and guide। এনে এগৰাকী মাতৃৰ বিয়োগত অমলপ্ৰভাই বৰ ডাঙৰ আঘাত পালে। ইয়াৰ আগতে অমলপ্ৰভাই এনে ধৰণৰ শোক কেতিয়াও পোৱা নাছিল। তেওঁ মানসিকভাৱে একপ্ৰকাৰ ভাগি পৰিল। একো কামতে মন নবহা হ'ল। কন্যাৰ এনে অৱস্থা দেখি জ্ঞানী পিতৃয়ে গীতাৰ অমৰ বাণীবোৰ অমলপ্ৰভাক পঢ়িবলৈ দিলে। লাহে লাহে অমলপ্ৰভাৰ মানসিক স্থিৰতা ঘূৰি আহে আৰু পুনৰ কৰ্মত প্ৰবৃত্ত হয়। ইতিমধ্যে কস্তুৰবা স্মৃতি ন্যাস পূৰ্ণগতিত চলি আছিল। অমলপ্ৰভাই আশ্ৰমৰ কামত মনোনিৱেশ কৰিলে। এই সময়খিনিতে স্বনামধন্য গোপীনাথ

বৰদৈলেদেৱে গান্ধীৰ সহযোগত এই আশ্ৰমলৈ আৰু নতুন নতুন কৰ্ম আঁচনি যুগুতালে আৰু কেনেকৈ নিবনুৱাক কৰ্ম সংস্থাপন দিব পাৰি তাৰ বাবে কৌশল ৰচনা কৰিলে। অমলপ্ৰভা যিহেতু বিজ্ঞানৰ স্নাতকোত্তৰ আছিল সেয়ে তেওঁৰ পুথিগত জ্ঞানখিনি কেবল কিতাপতে সীমাবদ্ধ নাৰাখি জনগণৰ উপকাৰৰ বাবে কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাকে চিন্তা কৰিলে। আগতে কোৱা হৈছে যে কস্তুৰবা আশ্ৰমৰ প্ৰধান উদ্দেশ্য আছিল গ্ৰাম্য নিবনুৱা মহিলাসকলক স্ব-নিয়োজনৰ ব্যৱস্থা আৰু কুটীৰ শিল্পৰ শিক্ষাত গুৰুত্ব প্ৰদান কৰা। এই ক্ষেত্ৰত কস্তুৰবা আশ্ৰমলৈ গান্ধীজীয়ে বহুত দিহা-পৰামৰ্শ আগবঢ়াইছিল। এই সময়খিনিতে ভাৰত মাতাই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰে। মহাত্মা গান্ধীৰ নেতৃত্বত চলা অহিংসা আন্দোলনে বিদেশী বিতাৰিত কৰি স্বাধীন ভাৰত হিচাপে বিশ্বত পৰিচয় দিবলৈ সক্ষম হ'ল। এই স্বাধীনতা আন্দোলনত অসমৰ এক উচ্চ শিক্ষিত পৰিয়াল অমলপ্ৰভাৰ পিতৃ ডাঃ হৰিকৃষ্ণ দাস আৰু মাতৃ হেমপ্ৰভা দাসৰ নাম ভাৰত বুৰঞ্জীত সোণালী আখৰেৰে জিলিকি থাকিব।

স্বাধীনতাৰ পিছতো কস্তুৰবা আশ্ৰমলৈ গান্ধীজীয়ে পাৰ্যমানে সহযোগ কৰি গৈ থাকিল। তেখেতৰ নিৰ্দেশতে এই আশ্ৰমখনে বহু লোকক নিয়োজিত কৰি তেওঁলোকক প্ৰশিক্ষণ দি প্ৰয়োজনীয় সামগ্ৰীসমূহ প্ৰস্তুত কৰাৰ বাবে যৎপৰোনাস্তি সেৱা আগবঢ়ালে। বৰ্তমানৰ মহিলাসকলৰ মাজত অধিক জনপ্ৰিয় অৰ্থনৈতিক সংস্থা আত্ম সহায়ক গোটৰ ধাৰণাটো কস্তুৰবা আশ্ৰমে দিবলৈ প্ৰয়াস কৰিছিল। গ্ৰামসেৱক বা গ্ৰাম সেৱিকাৰ ধাৰণাটোও কস্তুৰবা আশ্ৰমেই আমাক প্ৰথমে দিছিল। কস্তুৰবা আশ্ৰমে যদিও নিবনুৱা সংস্থাপনত গুৰুত্ব দিছিল তথাপি ইয়াৰ প্ৰধান উদ্দেশ্য আছিল মহিলাৰ সৰ্বতোপ্ৰকাৰ কল্যাণ সাধন। অমলপ্ৰভাৰ দৰে অসীম ধৈৰ্য আৰু সাহসী শক্তিৰ নেতৃত্বত কস্তুৰবা আশ্ৰমে যথেষ্টখিনি উন্নতি লাভ কৰিবলৈ সক্ষম হ'ল। গান্ধীজীৰ উপদেশমৰ্মে এই সময়তে অসমত 'অসম স্বয়ং সেৱক সংঘ' নামে আন এটি স্বেচ্ছাসেৱক অনুষ্ঠানৰ জন্ম হয়। কস্তুৰবা আশ্ৰম আৰু স্বয়ং সেৱা সংঘ দুয়োটাই নিজ নিজ কৰ্মপথত আশ্ৰমৰ হৈ অসমৰ বিভিন্ন ঠাইত উন্নয়নমূলক কাম-কাজ কৰিবলৈ লয়। উল্লেখনীয়া যে সমাজসেৱা তথা সামূহিক মঙ্গল অমলপ্ৰভাৰ জীৱন দৰ্শনৰ প্ৰধান আৰু উল্লেখযোগ্য বৈশিষ্ট্য আছিল। ইতিমধ্যে ভাৰতবৰ্ষৰ আন এগৰাকী অক্লান্ত কৰ্মী আৰু ত্যাগী পুৰুষ বিনোবাভাৱেও আদৰ্শই সমগ্ৰ ভাৰততে প্ৰশংসা লাভ কৰিছিল। বিশেষকৈ বিনোবাজীৰ ভূ-দান যজ্ঞত দুখীয়ালৈ যি ভূমি দান সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছিল সেই ব্যৱস্থাৰ প্ৰতি সমৰ্থন জনাই অমলপ্ৰভাই সহযোগৰ হাত আগবঢ়াইছিল। কস্তুৰবা আশ্ৰমে এই যজ্ঞলৈ পূৰ্ণ সমৰ্থন আগবঢ়ালে।

এনেদৰে দিনক দিনে অমলপ্ৰভাৰ নেতৃত্বত গঢ়ি উঠা কস্তুৰবা ন্যাসে বিস্তাৰ লাভ কৰিব ধৰিলে। ১৯৫০ চনত হোৱা বৰ ভুঁইকপত বিশেষকৈ উজনি অসমত যি বিস্তৰ ক্ষয়-ক্ষতি হৈছিল তাত মুক্তহস্তে সহায়ৰ হাত আগবঢ়োৱা অনুষ্ঠান আছিল কস্তুৰবা আশ্ৰম বা কস্তুৰবা ন্যাস। ডিব্ৰুগড়, চৈখোৱাঘাট, শদিয়া, মাজুলীকে আদি কৰি লক্ষীমপুৰ জিলাৰ ভালেমান গাঁও এই ভূমিকম্পত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। অমলপ্ৰভাই নিজে এই পৰিস্থিতিৰ বুজ ল'বলৈ উজনিত উপস্থিত হৈ নিঃসহায় মানুহবোৰক সহায়ৰ হাত আগবঢ়াই মহানতাৰ পৰিচয় দিয়ে। ন্যাসৰ ধনেৰে বহুলোকক আৰ্থিকভাৱে সহায় কৰিব পাৰিলে। প্ৰকৃতাৰ্থত উচ্চ শিক্ষাৰ প্ৰয়োগ যদি সেই সময়ত হৈছে বুলি ক'ব পৰা যায় সেয়া কেৱল অমলপ্ৰভাৰ ক্ষেত্ৰতে হোৱা বুলি আমি ক'ব পাৰো। অসমী আইৰ সুযোগ্য সন্তান এই গৰাকী চিৰনমস্য মহীয়সী নাৰীৰ ত্যাগ, ধৈৰ্য আৰু সাহসে

আমাক সকলোকে অনুপ্ৰাণিত কৰি আহিছে।

পূব শৰণীয়া পাহাৰত স্থাপিত কস্তুৰবা আশ্ৰমৰ এগৰাকী অক্লান্ত কৰ্মী হিচাপে অমলপ্ৰভাই জীৱনৰ বেছিখিনি সময়ে ইয়াতে কটায়। বিশেষকৈ মহিলাসকলক কুটীৰ শিল্পত কেনেকৈ মনোনিৱেশ কৰি আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰে এই কথা আগত ৰাখি আশ্ৰমৰ কাম-কাজ পৰিচালিত হৈছিল। অমলপ্ৰভাই তেওঁৰ মাতৃৰ স'তে ৱাৰ্ধাৰলৈ গৈ যি প্ৰশিক্ষণ লৈ আহিছিল তাক বাস্তৱ ৰূপ দিয়াৰ প্ৰধান ক্ষেত্ৰখন আছিল কস্তুৰবা আশ্ৰম। এই ভাবি আচৰিত লাগে যে সেই সময়ৰ এগৰাকী ৰসায়ন বিজ্ঞানৰ স্নাতকোত্তৰ মহিলাই ইচ্ছা কৰিলে বহুত ডাঙৰ পদবী ল'ব পাৰিলেহেঁতেন কিন্তু তেওঁ তাকে নকৰি অহৰ্নিশে দেশ আৰু স্বজাতিৰ উন্নয়নৰ বাবেহে কাম কৰি গ'ল। এই চৰিত্ৰবোৰে আমাক সদায় অনুপ্ৰাণিত কৰি আহিছে।

বিশাল আকাশত যিদৰে অলেখ তৰাৰ মাজত জিলিকি থাকে একোটি বিশেষ তৰা, ঠিক তেনেদৰে এই বিশাল বিশ্বৰ কোটি জনতাৰ মাজত উজ্বলি থাকে একোজন বিশেষ ব্যক্তি, যি গৰাকীৰ ত্যাগ আৰু কৰ্ম মানৱ ইতিহাসত সোণালী আখৰেৰে উজ্বলি থাকে। অমলপ্ৰভা দাস তেনে এগৰাকী নাৰী, যি গৰাকীৰ যশ-কৃতি হয়তো এটি চমু লিখনিত শেষ কৰিব নোৱাৰি। একেধাৰে এগৰাকী মেধাৱী ছাত্ৰী, প্ৰথম মহিলা বিজ্ঞানৰ স্নাতকোত্তৰ, স্বাধীনতা সংগ্ৰামী, কস্তুৰবা আশ্ৰমৰ প্ৰতিষ্ঠাপক, প্ৰকৃত গান্ধীবাদী আৰু সমাজসেৱিকা — ইমান গুণৰ অধিকাৰী অমলপ্ৰভা দাসৰ দৰে মহিলা অসম কিয় বিশ্বতে বিৰল। তেঁৱেই দি গ'ল মহিলাৰ স্ব-নিৰ্ভৰশীলতাৰ আৰ্হি, আত্ম সহায়ক গোটৰ আৰ্হি আৰু স্বদেশপ্ৰেমৰ আৰ্হি। গুৱাহাটীৰ যুৱক সেৱা দলৰ জন্মদাতা অমলপ্ৰভাই দেখুৱাই দি থৈ গ'ল জনতাৰ সেৱা যে ভাগৱান সেৱাতকৈ কোনো গুণে কম নহয়। এই মহান নাৰী গৰাকীক ভাৰত চৰকাৰে দ্বিতীয় অসামৰিক সন্মান পদ্মবিভূষণ সন্মান প্ৰদান কৰে ইং ১৯৫৫ চনত। অৱশ্যে তেওঁ এই সন্মান জনতাৰ নামতে উৎসৰ্গা কৰে।

সমাজৰ গঠনমূলক কামৰ স্বীকৃতি হিচাপে ১৯৮১ চনত এই গৰাকী বিদূষীনিক 'Jamuna Lal Bajaj Award' প্ৰদান কৰা হয়। ইয়াৰ উপৰিও স্থানীয় আৰু ৰাজ্যিক হিচাপত তেখেতলৈ বহু সন্মান আগবঢ়োৱা হৈছে। ২০১৩ চনৰ পৰা অসম চৰকাৰে অমলপ্ৰভাৰ নামত এক বঁটা প্ৰদানৰ ব্যৱস্থা কৰিছে। সমাজৰ উন্নয়নৰ হকে বিশেষভাৱে অৰিহণা আগবঢ়োৱা ব্যক্তিক এই সন্মান প্ৰদান কৰা হয়। এনেদৰে এক ব্যক্তিত্বৰ অধিকাৰী অমলপ্ৰভা দাসে ১৯৯৪ চনত ইহলীলা সম্বৰণ কৰে। কায়িকভাৱে তেখেত আজি আমাৰ মাজত নাই, কিন্তু তেওঁৰ অমৰ স্মৃতি কেৱল অসমতে কিয় সমগ্ৰ ভাৰতবৰ্ষত জিলিকি থাকিব।

সময় কাৰোবাবে ৰৈ নাথাকে। চিৰা চৰিত নিয়ম মানি সেই নিৰ্মম ক্ষণে অমলপ্ৰভাক আমাৰ মাজৰ পৰা লৈ গ'ল সঁচা। এগৰাকী প্ৰকৃত গান্ধীবাদী নেত্ৰী হিচাপে গান্ধীৰ আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ হকে তেখেতে দেহ-মন উৎসৰ্গা কৰিলে। গান্ধীৰ সৰ্বোদয় সমাজ দৰ্শনৰ উদ্দেশ্য আৰু লক্ষ্যক বাস্তৱ ৰূপ দিবলৈ অমলপ্ৰভাই অহোপুৰুষাৰ্থ কৰি কৃতকাৰ্যতা হৈছিল। তেওঁৰ আহ্বানত বহু লোকে সৰ্বহাৰাৰ বাবে ভূমিও দান দিছিল। গোটেই জীৱন খাদী মেখেলা-চাদৰ পৰিহিতা এই গৰাকী অনন্যা অসমী দুহিতা চিৰ নমস্য হৈ ৰ'ব।

******

*।।লেখিকা মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা।।*

# PROBLEMS CHALLENGES AND OPPORTUNITES OF GEOGRAPHY

**Dr. Jayanta Kumar Boruah**

**ABSTRACT**

At a time when environmental matters have become topics of general public concern, it is highly appropriate to consider the role of geography within policy-making. This article reviews some of the achievements of geography in policy fields, considers why they have not been as substantial as they might, and discusses contributions which might be made in the future. The main role of geography has been in teaching and only to a lesser extent in research. Even though geographers have contributed in a professional and advisory role in central and local government, they have made less of a contribution than have members of other disciplines, and this is paradoxical in view of geography's long-established interest in environmental matters. The internal and external constraints which have led to this situation can be overcome by a greater overt interest by geographers in matters of policy, by a greater flow of good research oriented to policy and by a flow of graduates to work in these areas. The need is for geographers to identify the contributions which the subject can make, to encourage research which can demonstrate that their approaches can be appropriate to the solution of large-scale problems, and to increase the dialogue between the profession and those who make and implement official policy. The feasibility of such policy-oriented research might be questioned, since universities are currently not well geared to its demands, but there are many benefits to be derived from undertaking commissioned work such as that already done on outdoor recreation. These suggestions have implications in the fields of pure research, in teaching and in the organization of universities. In research, there is need to develop other knowledge of spatial statistics, of forecasting, of behaviour, of remote sensing, of automated cartography, and of other computer applications. In teaching, there are problems of developing courses which can cater both for the general education of the non-specialist and the rigorous technical needs of future professional geographers. For universities, there is the difficulty of incorporating research teams within their wider educational organization and there may be virtues in increasing specialization by universities. The profession at large can also make a contribution to encouraging policy-oriented research by reviewing its own organization. If we do not seek to demonstrate our skills more actively, we shall increasingly find that the

opportunities are no longer open to us and that other disciplines will fill the roles which we are well qualified to fill.

**INTRODUCTION:**

Geography is a unique in many ways. It is a creed to grave subject in the world-from dust we came to the dust we go there is no escape from it. The panchbhotas that constitute the subject matter of geography, to deny the importance of geography is to deny the reality. In fact, we not only study but also live on feel it .it is a part of us whether we study it through a formal course of instruction or not, to ignore geography or to dilute its role in human life is brought with dangerous

**Geography - School to university :**

Geography, later joined by history and mathematics, is a discipline, which runs through all stages of education .it is a school subject as well as a research discipline at the highest level of education. there is a vast difference between school geography. And university geography it has taken a long line consistent and creative efforts to level the two in to an integrated whole but the problems of integration continue and we will take up this aspect seriously.

**Relation between Science and Humanities:**

Geography is often called on integrative discipline of recognized, but does not accept the thesis that knowledge divided into out to reach the bottom of the parts and not to snap the interrelation among the other subject or to deny the unity of the whole. Geography offers the medicine of the medium is the "space". Space is not of inert phenomenon; it is a living dynamic phenomenon. It is reflection of what has gone on the world in the part and, in turn, reflect on how human interact with nature and among themselves. The image, in turn, the appearance and the value of space depend less on natural endowment and more on humans, which of the have greater influence depend on how long the depend on how long the human occupancy of the space-physical and for mental and with what native and intention has been. being a geography, sciences and humanities are two sides of the same coin and coin is geography .it is a influence on both the side, but it stand on solid ground of its own. it has interest in geomorphology, climatology, biology, physics, history, economics, political science and many other disciplines which impinge on the conjunction with each other. this togetherness and enmeshing of a Varity of forces to make space what if is the subject matter of geography.

**Geography has unique methodology:**

Geography has its own methodology, in ancient times, it emerged from chorography description of new lands explored. slow means a transportation and communication limited the scope of exploitation of neighboring region. India and china met in south East Asia; Indians and Arabs met along the Arabian Sea coast. than in 16th and 18th centuries European reached almost every part of the world. Geography becomes a discipline of exploration.

Exploration provides new data on lands and people side by a side, attempt ware made to give quantitative measure of the things/places explored and to construct maps and charts. Cartographic representation and quantitative analysis continue to be the tools of geography. Exploration has now given place to field work and measurement to instrumentation, qualification and GIS etc.

**Geography has sustainability:**

Sustainability appears to be a new perspective in development research thinking. For geography, it is on old theme. When Atharva Veda (first miliiinum BC) said matabhumipatrathamprithvyatr,it was the clearstenuiation of the concept of sustainability. This concept was, by and large, ordered to during the agricultural era in essentially rural civilization, urbanization, whether in Mahanjodaro and Harappa or Rame and Mesopotamia or in great Andies of present day Latin America did break this rule of thumb and become one of the major causes of death of many civilizations. But these were aberration rather than rule. At is the urban-industrial era, which begun in an incipient way in the $17^{th}$ century, which threw this age –old principal of human survival and development over broad.

As if to prove the superiority of this civilization, geograph*y and* its tools were bent backwards. Much of the agricultural and its tools world was colonized by Europe; environmental determinism, and its off-shoots like possibilism and probabilism become tools to demonstrate the superiority of Europe, while the colonized people struggled to adhere to ancient rule of symbiosism.

**Problems in geographer:**

Indian geography has kept pace with the change which have taken place in the discipline the world over but the progress in different sub-fields has not been uniformly distributed in terms of spatial speared of the fields, India has done fairly well and the progress continues even though slowly and haltingly one of the major problems encountered is the identity of school geography. "Complication arise from the nature of geography itself" should geography be taught as an independent subject by geographers, or it should from part of social studies? If we go back in to history and nature of Geography*, WE were Cannot but agree with Kirk (1963) that modern* geography was created by scholars, trained in other discipline, asking themselves geographical question, geography as an academic discipline. Therefore, was one of the earlier integrated studies, it was also true at the school level. Geography to claim its repeat to be in school was also presented as an integrated subject" the early attempts at introducing an integrated course slimmed from the struggle to introduce geography into secondary school" integrated studies stand as a dual reminder to geographers of the prolonged and continuing quest for a stable subject identity and of early days when the subject itself was a low status Ingredient of Ingrate courses. the changing philosophies, pedagogies and content oriented of geography are symbiotically related to its

presentation, accemptince and status as a subject Geography got recognition as a part of school curricula offer the First world was. Soon it was pressurized to link with history. Mackinder was a leading protagonist of this combine subject, although in an address to geographical Association, he feared that history may make it road in to their classes, in the same way a geologist, a couple of years earlier. Entertained fear of geography. Headvocates the teaching of geography and history a single subject, not in primary school, but in the upper half of elementary education and lower half of sec secondary Education.

How are children going to use their Endris by talking up a subject? that is an academic idea? a special subject will be will be taken up by a few scattered people as hobby, but the vast majority will increase their knowledge not by the study of any d friends and by seeing what they can when havelling.For a vast majority what is important is not send them out with the rudimentornts of history as such and rudiment of geography as such in their minds, but to send them out of with some sort of orderly conception of the world around them. Whether geography a fact is historical or whether it is fact is Geographical matter.It does perhaps matter to those what are going to increase the knowledge of history or the knowledge of geography, or who are to be specialized teacher of these subject, who are going to prepare for examination in those subject

In 1950, Royel geographical society's education committee state frankly that social studies would destroy the value of geography as import ant's medium of education and hence was concerned with its spread in school level."An attempt to study a group of subjects together. Introduces such complexity that children cannot see any general pattern or gain a clear and memorable educational experience. The geography is well aware that knowledge is whole, but makes no apology for dividing it into separate subject for the purpose of learning. History and geography for example, are distinct branches to make to the intellectual experiment of the educated citizen of today.Indian educationist following the British and American friends introduces geography as part of social studies in school. Although, attempts were made by Indian geographers to balance the curricula by not defacing the unique place of geography in social studies but the way social studies are taught in Indian school is depressing. teacher knowing nothing of geography, but teach geography. And since geography is more difficult to teach, than. history it is often the neglected subject. Most schools have only taught in social studies he teaches both history and geography.

**Academic passion:**

Geography finds an honorable place in almost all university India both at the graduate and post graduate level. Over 80%of the colleges offer geography as an elective. School geography has gone through a series of problems, but it remains, along with history and mathematics, the first change quality of text book, too have improved but

now India has a long way to go before it can give geography a rightful place school curriculum.

On the research front, too, Indian geography has made some notable strides. quality of M. Phil and PhD thesis in some universities comparable to any good university in the world is poor, but Indian geographer have, still to go to a long way. A large number of universities in the country are not even concerned about the deteriorating quality of research.

At may appear larch but geographer cannot ignore the fact that a great majority Ph.D. thesis produced.in the country in the field of geography. it is partly because the geographer are not training geography recatch student in research methodology and partly because of the supervisors are unacquainted by modern nuances of research.

**Challenges in Geography :-**

Indian geography faces a number of Challenges in year ahead. These challenges come from outside as well as from as from within. Here sketch out a few of them.

**Crist of paradigm :**

Indian geographers have not yet even begun to explore the history and geography. The ecological concepts enunciated by our fore fathers in regard to man-nature relationship can offer us new ideas for theory building. symbiosism, which our ancients advocated, is now gelling recognition from all over the world. it offers the base for a new paradigm had we explored these concepts more deeply, we could have presented an alternative to determinism, possibilism and probabilistic literature, which are geographic and highly relevant to the present-day world.

There exists a paradigm in Indian geography. at is over served with Darwinian theory of evolution and urban –industrial civilization. Our culture is based on "Giant theory of evolution and rural –agricultural civilization. Mahatma Gandhi Ji was the latest of our great man who advocated a new civilization different from the industrial civilization which we have cone to believed to be latest stages in the evolution of human society, even though its human environmental consequences are so very appearance and clear. How many geographers have given any through to this?

**Opportunity:**

**Lands planning and food security:**

Indian geographies have kept themselves aloof from the Society problems, distancing geography from society. In general, there is tendency to be encyclopedia. India's available land resources are double of that of china, but its food production is term than half of china. One and perhaps the most important reasons for this is the total absence of lands planning- a field which has made signal contribution to conduce planning in Europe, America and even china. In India government ignore the geography imperatives of agricultural development and preceded on irrigation project, chemical fertilizers etc to ushers' green revolution.

Unfortunately, much of the geography studies on land use are highly descriptive telling which land is being use for what purpose what is needed is studies on land potentials and the users that they should be put to and identification of areas where land is being used unscientifically and against known ecological principles.

Our land resources are departing fast population is raising equally fast. Avaitibility of land for agriculture is declining; present of land under irrigation is also declining, and food production has come down.

**Social development :**

Two aspects ofsocial development, pert from spatial distributive justices, have always attracted the attention of geographer i.e. education and health. These two subfields of geography of health. Were meaningful contribution have been made by several Indian geographer, But the distance to be covered in both these shills pretty long.

Geographies principles of micro –level planning for educational development have been in currently for quite some time. Kothari mission had used these principles to play elementary education.Geographies have, however limited their attention to distribution of educational facilities and achievements. how to plan for educational development so that maximum numbers of students benefit from the investment of scarce resource. Networking of institution, for mutual learning and support has also been ignored by geographers. The foundation for such work has already been laid through attests of various educational norms. more can and should be done in this direction. we should, however, more out of the alas syndrome to planning for educational development with special emphasisa local regional needs and educational facilities and contents.

Assessment of educational needs, locality and region wise in another dimension that should claim interest geography. how to make education relevant, is a question of vital importance. Should geography wait for encroachment from the newly conceived environmental studies to become alive of its responsible?

Medicine geography is another field of considerable importance. it has four main aspects: (1) spatial distribution of health condition and health facilities, (2) spread of health practices practitioners and health practices,practitioners and diseases (3) environment and health and (4) use nature as the doctor. so, for only the first dimension has received the attention of geographies in India. the spatial diffusion of communicable diseases like cholera, Aids, chicken-pox etc. have yet to be taken cognizance of the cause's relationship between physical environment and health, too has not received adequate attention. And the studies conducted have been highly generalized and chorographic

**Environmental studies :**

Environmental Science studies areimagined as a new discipline, it is being taught at the school as well as university level, at the school level, it is essentially geography but it is so presented as if it something new if this situation continue, the day is not for off when geography will be taken off the school curricula. it will be replaced by environmental studies.

Development has therefore, to be watchful of the curriculum development in primary education in different states of the country. Geography is in danger of being replaced by environmental studies, thus doing immense harm to the citizenship education. in asked geography should broaden its coverage to include environment studies. And the new text book should reflect this adequately to give to environmental issue.

Environmental Impact assessment, environmental audit, environmental budgeting and environmental accounting have not even touched by geographies. Environmental law is another field which has been completely neglected. All this are important ant partly because they are concerned with natural resources and party because they help us in resource planning and management without having understanding and knowledge of the methodology of resource assessment and accounting?

**Environment laws permit or restrict natural resource uses :**

All disciplines study laws relevant to them expect geography. Indian geographies have not made any noticeable contributions to conventions and intonation or national laws governing to the use of resource-and water, forest, wild life etc. in my views Environmental or natural resource laws should constitute a course at post –graduate studies in geography.

**Urban geography :**

Urban geography is the most developed sub –fields. of geography literature on various aspect of Urbanization, Urban system, and individual cities is copious.Indiangeographers can congratulate themselves for the amount of quality work done- Urban geography is being taught in practically in all university of the country and the number of PhD thesis in this fields are perhaps the largest.

A critical mind, however, cannot fail to see any similarly in three contributions, ourparadigm of chinking and theoretical foundation is not Indian. they are western. we expect our country to be without villages in in some distance future, India will be fifty present urban by 2016, eighty percent by 2050 and soon. we nearly see a difference in the urbanization processes in the waste and in India.Some eighty year back. Mahatma Gandhi said that India should not industrialize itself on the lines of the west. industrialize a tiny island King Dom, the resources of the much of the world were dived. What will happen to the world when a country like India follows suit. Industrialization and urbanization to together. That is why he promoted the India of decentralized production.

Now it is realized that India can urbanized and industrialize itself on western lines only by inviting calamities like the ones we see in cities today's.

**Regional planning :**

when our efforts to use geographies principles to special planning in the sixties were not very welcome. Al though regional geography has been the end product of our discipline, we did not venture in the field of planning and development. Regional planning remained the domain of professional (town planers). while at J N U further progress was made in the fields in regional development studies. Mysore department of geography become the centre of regional planning initially following Geddes's valley section principle. The pioneering work done by late V.L.S Prakasa RAO had its imprints on these efforts and a new institutes of development studies comes into being in 1970 mange by geographers, economists and physical planners.

**Urban geography : -**

Urban geography is the most important and development sub fields of geography. life nature on various aspects of Urbanization, Urban system and individual cities is copious.Indian Urban geographers can congratulate themselves for amounting of quality work done - Urban geography is being taught in practically in all university of the country and the number of PhD thesis in field is perhaps the largest.

**Other field:**

It would be nature to teentsy an easy to touch each branch of geography, however the neglects of physical geography, (geomorphology), climatology and biogeography in particular) has done lot of harm to our field. it is now time to lay stress on these disciplines and get students with geology, biology and physics/chemistry background to our master and Ph.D. degree programmed unless we have geographers'scholars in this field, it will be difficult to contribute substantially to environment studies eco-development recourse analysis and management, agricultural, medical and social geography.

**Conclusion:**

This are few of the strengths and weakness of Indian geographers. It has been emphasis on weakness the right occasion to introspect and evaluate ourselves so we can do better in the feature. Our branched of geography and cartography, to need new direction and orientation. The sample given above is only indicative, not exhaustive and final.

Information technology has changed a lot more. Changes are in the offing. Geographer has nothing to lose from it. It stands to gain for it will provided us new data and facts for which we have been locking for countries.

But our tradition of whatever is physically present on the surface of the earth, but there is no proper instrument, which can scene mind and heart of the people, which give rise to geographers on the surface the earth.

Geographers on the threshold of new era in geographic teaching and research. The present country is century of integration, wholesome sustainable development and humanism. Geographers are passing through difficult times; there is lash in darkness, as there is life in death. A new world is taking shape. let geographers be participants in the creation of this world. Geographers can change our way and pick up new threads to unfold the in heart political of geography.

**Reference: -**

Banerjee, B.K. (2006). Geography education inIndian schools. International Schulbuchforschung, 28(3), 283-292. Retrieved from https://www.jstor.org/stable43056742

Council of Geographical Association(1919): The position of geography, The geographical Teachers, p-10m

Kirman, J. M. (2007). Aesthetics in geography: Ideas for teaching geography using poetry. Journal of Geography, 106(5), 207-214.

Healey, M. (2003). Promoting lifelong professional development in geography education: International perspectives on developing the scholarship of teaching in higher education in the twenty-first century. Th e Professional Geographer, 55(1), 1-17.

Mackinder H. J. (1913) The teaching of Geography and History as a combine subject, The Geographical teachers p-7.

Milson, A. J., & Earle, B. D. (2007). Internet-based GIS in an inductive learning environment: A case study of ninth-grade geography students. Journal of Geography, 106 (6), 227-237.

Alam, S. (2017). A note on the quality of geography text books for secondary schools in India. The Geographer, 64(1), 88?97. Retrieved from https://www.researchgate.net/pub-lication/31742728

Alam, S. (2017). A note on the quality of geography text books for secondary schools in India. The Geographer, 64(1), 88?97. Retrieved from https://www.researchgate.net/publication/31742728

******

*Writer Department of Geography Mangaldai College*